**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-10-2023
**Time :** 1340 Hrs.

## ***Assamese Midday Bulletin***

১) কেন্দ্ৰীয় চৰকাৰে আজি বানপীড়িত ছিকিমলৈ প্ৰায় ৪৫ কোটি টকাৰ দুৰ্যোগ সাহায্য প্ৰদানত অনুমতি জনাইছে।

২) কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে ছিকিমত বানৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ মূল্যায়ন কৰিবলৈ আন্তঃমন্ত্ৰালয়ৰ কেন্দ্ৰীয় দল গঠন কৰিছে।

৩) ভাৰতীয় মূলৰ অধ্যাপক ড০ জয়ীতা গুপ্তাই ডাছ বিজ্ঞানৰ সৰ্বোচ্চ সন্মান স্পিনোজা বঁটা লাভ কৰিছে।

***আৰু***

৪) ভাৰতে চীনত অনুষ্ঠিত এছিয়ান গেমছত এতিয়ালৈকে ২১টা সোণ, ৩২ ৰূপ আৰু ৩৫টা ব্ৰঞ্জসহ মুঠ ৮৮টা পদক লাভ কৰিছে।

০০০০

কেন্দ্ৰীয় চৰকাৰে আজি বানপীড়িত ছিকিমলৈ প্ৰায় ৪৫ কোটি টকাৰ দুৰ্যোগ সাহায্য প্ৰদানৰ অনুমতি জনাইছে। এই ধনৰাশি কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজিৰ পৰা ২০২৩-২৪ বৰ্ষৰ বাবে ৰাজ্যখনলৈ আগবঢ়াইছে। ক্ষতিগ্ৰস্ত লোকসকলক সাহায্য প্ৰদানৰ ক্ষেত্ৰত ৰাজ্যখনক সহায় কৰাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়েও আকস্মিক বানৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ মূল্যায়ন কৰিবলৈ আন্তঃমন্ত্ৰালয়ৰ কেন্দ্ৰীয় দল গঠন কৰিছে। মন্ত্ৰালয়ে কয় যে, দলটোৱে অতি সোনকালে ৰাজ্যৰ ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰিব আৰু ইয়াৰ মূল্যায়নৰ ভিত্তিত ছিকিমলৈ অধিক অতিৰিক্ত কেন্দ্ৰীয় সাহায্যৰ অনুমোদন জনোৱা হ'ব। ছিকিমৰ পৰিস্থিতিৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে সৰ্বোচ্চ পৰ্যায়ত প্ৰতি মুহূৰ্ততে নজৰ ৰাখিছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ছিকিমলৈ সময়মতে ৰচদ-পাতিৰ সাহায্যৰে সহায় আগবঢ়াইছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী, ভাৰতীয় বায়ুসেনাৰ হেলিকপ্টাৰ আৰু সেনাজোৱানৰ পৰ্যাপ্ত দলৰ লগতে প্ৰয়োজনীয় অনুসন্ধান আৰু উদ্ধাৰৰ সঁজুলিও প্ৰেৰণ কৰিছে। শক্তি, দূৰ সংযোগ আৰু গড়কাপ্তানি, ঘাইপথ আৰু পৰিবহণ মন্ত্ৰালয়ৰ কাৰিকৰী দলসমূহে ছিকিমৰ ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা সময়মতে পুনৰুদ্ধাৰ কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে।

উল্লেখযোগ্য যে, দুদিন পূৰ্বে ডাৱৰ বিস্ফোৰণ আৰু বানপানীৰ বাবে তিস্তা নৈৰ কেইবাখনো দলং, ১০ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কিছু অংশ আৰু চুংথাং বান্ধ উটুৱাই লৈ যোৱাৰ ফলত ছিকিমৰ কেইবাখনো সৰু চহৰৰ আন্তঃগাঁথনি ক্ষতিগ্ৰস্ত হয়।

০০০০

গুৱাহাটীত এখন প্ৰেছ বিজ্ঞপ্তিযোগে প্ৰতিৰক্ষা বিভাগৰ জনসম্পৰ্কৰক্ষী বিষয়াই জনাইছে যে, ছিকিমত নিৰুদ্দেশ হোৱা ভাৰতীয় সেনা বাহিনীৰ লোকসকলৰ উদ্ধাৰ অভিযান অব্যাহত আছে। ইফালে, ভাৰতীয় সেনা বাহিনীয়ে উত্তৰ ছিকিমত আবদ্ধ হৈ থকা পৰ্যটক আৰু সৰ্বসাধাৰণ ৰাইজৰ বাবে খাদ্য, চিকিৎসা আৰু যোগাযোগৰ ক্ষেত্ৰত সুবিধা আগবঢ়াই আছে। আনহাতে, তিস্তা বান্ধৰ নিম্নভাগত সন্ধানহীন হৈ থকা জোৱানসকলৰ উদ্ধাৰ অভিযান অব্যাহত আছে। লগতে চিংটামৰ সমীপৱৰ্তী বুৰ্ডাঙত বাহনসমূহ খান্দি উলিয়াই থকা হৈছে।

ইপিনে, ভাৰতীয় সেনাবাহিনীৰ ট্ৰুপছ অব্ ত্ৰিশক্তি কৰ্পছে লাচেন/চাটেন, লাচুং আৰু ছুংথাং অঞ্চলত উপস্থিত থকা পৰ্যটকসকলৰ বিষয়ে তথ্য লাভ কৰিবলৈ সক্ষম হৈছে। আজি বতৰ উন্নত হোৱাৰ পৰিপ্ৰেক্ষিতত আবদ্ধ পৰ্যটকসকলক হেলিকপ্টাৰেৰে উদ্ধাৰ কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে। ৰাজ্য চৰকাৰ, ভাৰতীয় সেনা আৰু ভাৰতীয় বায়ু সেনাবাহিনীয়ে যুটীয়াভাৱে এই সম্পৰ্কে পৰিকল্পনা যুগুত কৰিছে।

ইতিমধ্যে সকলো সংস্থাৰ দ্বাৰা ক্ষয়-ক্ষতিৰ মূল্যায়ন আৰু পথৰ পুনৰ সংযোগ স্থাপনৰ বাবে জৰীপ আৰম্ভ কৰা হৈছে।

০০০০

ৰাজ্যত যোৱা কিছুদিনধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত গুৱাহাটী মহানগৰীৰ বিভিন্ন অঞ্চল পানীত বুৰ গৈ জনজীৱনত ব্যাপক সমস্যাৰ সৃষ্টি কৰিছে। মহানগৰীৰ অনিল নগৰ, নবীন নগৰ, জু-ৰোডকে ধৰি বিভিন্ন অঞ্চলত কৃত্ৰিম বানৰ ফলত স্বাভাৱিক জীৱনত জটিলতাৰ সৃষ্টি হোৱাৰ লগতে যান-বাহনৰ চলাচল ব্যাহত হৈ পৰে। কামৰূপ মহানগৰ জিলা প্ৰশাসনে জনসাধাৰণৰ সহায়ৰ বাবে ৯৩৬৫৪২৯৩১৪ হেল্পলাইন নম্বৰ মুকলি কৰিছে।

০০০০

আজি বিশ্ব চেৰিব্ৰেল পালচী দিৱস। মস্তিষ্কৰ পক্ষাঘাতৰ ওপৰত চৰ্চা কৰাৰ উদ্দেশ্যে প্ৰতিবছৰে ৬ অক্টোবৰত এই দিৱস পালন কৰা হয়। এইবাৰৰ বিশ্ব চেৰিব্ৰেল পালচী দিৱসৰ মূল বিষয় হৈছে-Together stronger অৰ্থাৎ **একেলগে শক্তিশালী**। চেৰিব্ৰেল পালচীয়ে এজন ব্যক্তিৰ গতিশীলতা আৰু ভাৰসাম্য তথা ভংগিমা বজাই ৰখাৰ ক্ষমতাত প্ৰভাৱ পেলায়। চেৰিব্ৰেল পালচীৰ বিষয়ে সজাগতা সৃষ্টি, এই ৰোগত আক্ৰান্তসকলক সহায় কৰাৰ বাবে তথা বুজাবুজিৰ পোষকতা কৰাৰ বাবে এখন মঞ্চ স্থাপন কৰাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়।

আকাশবাণী বাতৰি বিভাগৰ সৈতে হোৱা কথা-বতৰাত নতুন দিল্লীৰ সৰ্বভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠানৰ শিশু চিকিৎসা বিভাগৰ অধ্যাপিকা শ্যেফালী গুলাটীয়ে এই ৰুগীয়ে সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰাৰ চিকিৎসা পদ্ধতিৰ লগতে চেৰিব্ৰেল পালচীৰ বিষয়ে বিশদভাৱে উল্লেখ কৰে।

০০০০

ভাৰতীয় মূলৰ অধ্যাপক ড০ জয়ীতা গুপ্তাই নেদাৰলেণ্ডছৰ এটা অনুষ্ঠানত জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰত কৰা কামৰ বাবে ডাছ বিজ্ঞানৰ সৰ্বোচ্চ সন্মান স্পিনোজা বঁটা লাভ কৰিছে। বুধবাৰে হেগত নেদাৰলেণ্ডছৰ শিক্ষা, বিজ্ঞান আৰু সংস্কৃতি মন্ত্ৰী ৰবাৰ্ট ডাইকগ্ৰাফে তেওঁক এই বঁটা প্ৰদান কৰে।

ডাছ্ গৱেষণা পৰিষদৰ এই পুৰস্কাৰৰ মূল্য ১৫ লাখ ইউৰো। ড০ গুপ্তাই এই ধনৰাশি বৈজ্ঞানিক গৱেষণাৰ সৈতে জড়িত কাৰ্যকলাপত ব্যয় কৰাৰ মনস্থ কৰিছে। জয়ীতা গুপ্তা এগৰাকী ডাছ্ পৰিৱেশ বিজ্ঞানী, আমষ্টাৰডাম বিশ্ববিদ্যালয়ৰ গ্ল’বেল ছাউথৰ পৰিৱেশ আৰু উন্নয়নৰ অধ্যাপিকা।

০০০০

স্তব্ধ হৈ পৰাৰ লগতে নতুন দিল্লীত আজি নিৰ্বাচন আয়োগে ইয়াৰ পৰ্যবেক্ষকসকলৰ সৈতে এখন বৈঠকত মিলিত হৈছে। বৈঠকত ৰাজস্থান, মধ্যপ্ৰদেশ, ছত্তিশগড়, তেলেংগানা আৰু মিজোৰামত অনুষ্ঠিত হ’বলগীয়া বিধানসভা নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰিবলৈ বিভিন্ন কৌশল আৰু নিয়মাৱলী চূড়ান্ত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ’ব বুলি আশা কৰা হৈছে। শেহতীয়াকৈ নিৰ্বাচনী গোটটোৱে নিৰ্বাচন অনুষ্ঠিত হ’বলগীয়া ৰাজ্যসমূহত নিৰ্বাচন প্ৰস্তুতিৰ বুজ লৈছিল। অনাগত দিনসমূহত আয়োগে ৫ খন ৰাজ্যৰ নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনা আছে।

০০০০০

কেৰালাত উপকূলৰক্ষী বাহিনী আৰু ৰাজ্যিক মীন বিভাগে যোৱানিশা কোচি উপকূলৰ উত্তৰ দিশত নিৰুদ্দেশ হোৱা ৪ জন মাছমৰীয়াৰ সন্ধান আৰু উদ্ধাৰ অভিযান আৰম্ভ কৰিছে। নাওখনত ৭ জন মাছমৰীয়া আছিল। ইয়াৰে তিনি জনক আন মাছমৰীয়াৰ দলে উদ্ধাৰ কৰে। উদ্ধাৰ অভিযান তীব্ৰতৰ কৰাৰ উদ্দেশ্যে বিশেষ ডুবাৰুৰ দল উদ্ধাৰ অভিযানৰ বাবে নিয়োগ কৰা হৈছে।

০০০০

তামিলনাডুত কালি ফটকা নিৰ্মাণৰ সময়ত নগাপট্টিনাম জিলাত বিস্ফোৰণ সংঘটিত হোৱাত চাৰিজন লোকৰ থিতাতে মৃত্যু হয়। বিস্ফোৰণৰ বাবে মৃতকৰ শৰীৰৰ অংগসমূহ বিভিন্ন স্থানত প্ৰায় ১০০ মিটাৰ দূৰত্বত সিঁচৰতি হৈ থকাৰ ফলত মৃতদেহসমূহ চিনাক্তকৰণ কঠিন হৈ পৰে।

জিলা আৰক্ষী অধীক্ষক হৰিশ সিঙে জনোৱা মতে, গটনটো সংঘটিত হোৱাৰ সময়ত আঠজন লোক কাৰখানাটোৰ ভিতৰত আছিল। আহত লোকসকলক উন্নত চিকিৎসাৰ বাবে নগাপট্টিনাম চৰকাৰী চিকিৎসালয়লৈ লৈ যোৱা হয়। আৰক্ষীয়ে গোচৰ ৰুজু কৰি এজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে।

০০০০

ভাৰতে চীনত অনুষ্ঠিত এছিয়ান গেমছত এতিয়ালৈকে ২১টা সোণ, ৩২ ৰূপ আৰু ৩৫টা ব্ৰঞ্জসহ মুঠ ৮৮টা পদক লাভ কৰিছে। ভাৰত বৰ্তমান প্ৰতিযোগিতাৰ পদক তালিকাৰ চতুৰ্থ স্থানত আছে। এছিয়ান গেমছৰ ইতিহাসত এয়া ভাৰতৰ বৰ্তমানলৈ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন।

ইফালে, ভাৰতৰ পুৰুষৰ কাবাদীৰ দলটোৱে পাকিস্তানক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।

ইয়াৰ পূৰ্বে ভাৰতে জাকাৰ্টাত অনুষ্ঠিত অষ্টদশ এছিয়ান গেমছত ৭০টা পদক লাভ কৰিছিল। প্ৰতিযোগিতাৰ কালি দ্বাদশ দিনা ভাৰতৰ পুৰুষ আৰ্চাৰী দলে কম্পাউণ্ড শাখাৰ দলীয় শিতানত দক্ষিণ কোৰিয়াক ২৩৫-২৩০ ফলাফলত পৰাভূত কৰি সোণৰ পদক হস্তগত কৰে। ইয়াৰ পূৰ্বে জ্যোতি, পৰনীত আৰু অদিতিয়ে মহিলাৰ আৰ্চাৰীৰ কম্পাউণ্ড শাখাৰ দলীয় শিতানত সোণৰ পদক অৰ্জন কৰে। দলটোৱে চীনা টাইপেইৰ প্ৰতিদ্বন্দ্বীক ২৩০-২২৮ ফলাফলত পৰাস্ত কৰে। একেদৰে দিপীকা পল্লিকল আৰু হৰিন্দৰ পাল সিং সান্ধুৰ

যুটিটোৱে স্কোৱাছৰ মিক্সড ডাবল্‌ছত মালয়েছিয়াৰ প্ৰতিদ্বন্দ্বীক পৰাভূত কৰি সোণৰ পদক হস্তগত কৰে। স্কোৱাছৰ পুৰুষৰ ছিংগল্‌ছত সৌৰভ ঘোষাল ৰূপৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়। সৌৰভ আজি ফাইনেলত মালয়েছিয়াৰ ইন-য়াৱ-এনজিৰ হাতত ১-৩ ফলাফলত পৰাজিত হয়। ইপিনে, কাবাডীৰ পুল এৰ এখন খেলত আজি ভাৰতীয় পুৰুষ দলে জাপানক ৫৬-২৮ পইণ্টত পৰাস্ত কৰে। এই জয়ৰ সুবাদত ভাৰত প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰাটো নিশ্চিত হৈছে। ইপিনে, মহিলাৰ মল্লযুদ্ধৰ ৫৭ কিলোগ্ৰাম ওজন শাখাৰ এখন খেলত মানসীয়ে দক্ষিণ কোৰিয়াৰ বাৰ্ক জিঅ'নেজক ২-০ ফলাফলত পৰাস্ত কৰে। আনহাতে, মহিলাৰ মল্লযুদ্ধৰ ৫০ কিলোগ্ৰাম ওজন শাখাত পূজা গেহলট কানাডাৰ মল্লযোদ্ধাৰ হাতত ৬-৯ ফলাফলত পৰাভূত হয়। এতিয়া খেলুৱৈগৰাকীয়ে ব্ৰঞ্জৰ পদকৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইপিনে, অন্তিম পংঘালে মহিলাৰ ৫৩ কিলোগ্ৰাম ওজন শাখাত মংগোলিয়াৰ প্ৰতিদ্বন্দ্বীক পৰাস্ত কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। বেডমিণ্টনত ভাৰতৰ এইচ এছ প্ৰণয়ে মালয়েছিয়াৰ লী-জি-জিয়াক পৰাস্ত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে। একেদৰে স্বাত্বিকছাইৰাজ ৰনকীৰেড্ডী আৰু চিৰাগ ছেট্টিৰ যুটীটোৱে ছিংগাপুৰৰ যুটিক ২১-৭,২১-৯ গেমত পৰাস্ত কৰি পুৰুষৰ ডাবলচৰ ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে। স্বাত্বিকছাইৰাজ আৰু আৰু চিৰাগৰ যুটিটো ছেমিফাইনেলত মালয়েছিয়াৰ আৰ'ন চিয়া আৰু ছুহ উই য়িকৰ সন্মুখীন হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছিয়ান গেমছত ভাৰতীয় খেলুৱৈসকলৰ অভূতপূৰ্ব প্ৰদৰ্শনক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এলানি পোষ্টযোগে প্ৰধানমন্ত্ৰী মোদীয়ে দেশক গৌৰৱান্বিত কৰা ক্ৰুটিবিহীন প্ৰদৰ্শনৰ বাবে খেলুৱৈসকলক অভিনন্দন জনাইছে।

০০০০

০০০০

**সমাপ্ত**